# ৰজা দায়ুদে এটা বেয়া অভ্যাস ভাঙিলে

## তেওঁবিলাকৰ জীৱনত পাপৰ ক্ষমতা কিদৰে ঈশ্বৰে ভঙ্গ কৰে ল'ৰা-ছোৱালীক শিকাওক।

**প্ৰাৰ্থনা ঃ** "প্ৰিয় প্ৰভু, ল'ৰা-ছোৱালীৰ জীৱনত তেওঁলোকৰ অনিষ্টকাৰী অভ্যাসবিলাক ভাঙিবলৈ দায়ুদ আৰু বৎ-চেবাৰ অধ্যয়নটো ব্যৱহাৰ কৰিবলৈ অনুগ্ৰহ কৰি সহায় কৰক।"

২ চমূৱেল ১১ আৰু ১২ঃ১-২৩ কিদৰে ঈশ্বৰে দায়ূদৰ জীৱনত ব্যভিচাৰৰ ক্ষমতা ভঙ্গ কৰিলে।

কোনো এটি ডাঙৰ ল'ৰাক কাহিনীটো পঢ়িবলৈ অথবা মুখস্থ কৰিবলৈ দিয়ক। পিছত ২ চমূৱেল ১১ঃ১-১৭ পদৰ পৰা এই প্ৰশ্নবোৰ সোধক, *(প্ৰত্যেক প্ৰশ্নৰ পিছতে উত্তৰবিলাক দিয়া আছে)*



- ৰজাৰ নোহোৱা কি বস্তু তেওঁ ল'লে?

  *(উত্তৰ ঃ ৪ পদ চাওক। ৰজা হোৱা হেতুকে, দায়ূদে যি মন যায় তাকে পাবলৈ ইচ্ছা কৰিছিল। সেয়ে পাপপূৰ্ণ আচৰণ, ফলত, তেওঁ ব্যভিচাৰ কৰিলে।)*
- ৰজা দায়ূদে উৰিয়াক কিদৰে প্ৰতাৰণা কৰিবলৈ চেষ্টা কৰিছিল? (৮ পদ)
- এটা পাপে আন এটা পাপ কৰিবলৈ কিদৰে দায়ূদক বাধ্য কৰাইছিল?

  *(১৩, ১৪ পদ চাওক। প্ৰায়ে আমি এটা পাপ লুকুৱাবলৈ চেষ্টা কৰিলে, আমি তাতকৈ অধম পাপ কৰোঁ। যেতিয়া দায়ূদে নিজৰ পাপ ঢাকিবলৈ চেষ্টা কৰিলে, তেওঁ মিছা ক'লে আৰু নৰবধ কৰিলে)*

২ চমূয়েল ১২ঃ১-১৪ পদৰ **পৰা প্ৰশ্ন**।

- নাথন ভাববাদীয়ে দায়ূদক নিজৰ পাপ চিনি পোৱাত সহায় কৰিবলৈ কি কৈছিল?

  *(১ পদ চাওক। তেওঁ এটি কাহিনী কৈছিল। আমাৰ পাপ চিনি পাবলৈ, আমাৰ নিমিত্তে প্ৰাৰ্থনা কৰিবলৈ আৰু আমাৰ কামবিলাকৰ দায়িত্ব গ্ৰহণ কৰাত সহায় কৰিবলৈ ঈশ্বৰে প্ৰায়ে জ্ঞানী লোকবিলাকক ব্যৱহাৰ কৰে।)*
- তেওঁৰ জীৱনত পাপৰ শক্তি ঈশ্বৰে ভাঙি দিয়াৰ আগেয়ে দায়ূদে কি কৰিব লগা হৈছিল? *(১৩ পদ)*
- ঈশ্বৰে দায়ূদক ক্ষমা কৰিলেনে? *(১৩ পদ)*
- দায়ূদৰ পাপৰ ফল কি আছিল? *(১৪ পদ)*

দায়ূদ আৰু বৎ চেবাৰ কাহিনীটোৰ কিছু অংশ **নাট কৰক**।

- এই নাটখন ল'ৰা-ছোৱালীয়ে পৰিৱেশন কৰিবলৈ প্ৰধান উপাসনাৰ চলাওঁতাৰ লগত ব্যৱস্থা কৰক।

- নাট প্ৰস্তুত কৰোঁতে ডাঙৰ ল'ৰা-ছোৱালীয়ে সৰুবোৰক সহায় কৰক।
- ডাঙৰ ল'ৰা-ছোৱালী অথবা বয়সীয়াসকলক এই ভাওবোৰ দিয়ক, নাথন, দায়ূদ, বৎ চেৱা, উৰিয়া আৰু বৰ্ণনাকাৰী, যিজনে নাটখন সংক্ষেপে ব্যাখা কৰিব আৰু ল'ৰা-ছোৱালীয়ে কি কৰিব সোঁৱৰাই দিব।
- সৰু ল'ৰা-ছোৱালীক ধনুধৰ, ধনৱান মানুহ, দুখীয়া মানুহ, মেৰ পোৱালী আৰু ভেড়াৰ ভাওবোৰ দিয়ক।
- নাটখন যিমান সম্ভৱ কম কথাৰে কৰিবলৈ চেষ্টা কৰক।
- যদিহে আপোনাৰ দলটি নিচেই তাকৰীয়া, তেন্তে ভেড়াৰ ভাও বাদ দিব পাৰে (ধনবান মানুহজনে গণনা কৰা ভাও দেখুৱাব পাৰে)

**বৰ্ণনাকাৰী ঃ** ২ চমূৱেল ১১ঃ১-১৭ পদৰ পৰা কাহিনীৰ ১ ম খণ্ড কওক।

এতিয়া কওক, "দায়ূদে নিজকে কি কৈছে শুনক।"

**দায়ূদ ঃ** ভেম ধৰা গৰ্বী খোজ দি চাৰিওফালে যায়, আৰু কয়, "মই ৰজা। মই যি ভাল পাওঁ তাকে কৰিব পাৰোঁ। মই বিচৰা যিকোনো বস্তুকে পাব পাৰোঁ।"

**বৎচেবা ঃ** দায়ূদৰ আগত খোজ কাঢ়ে। আৰু নিজৰ বাহু দুটা ধোৱা ভাও ধৰে।

**উৰিয়া ঃ** তোমাৰ তিৰোতা বৎ-চেবাৰ কাষত থিয় হয়। কিন্তু তাইৰ অথবা দায়ূদৰ ফালে নাচাই অন্য দিশে চাই থাকে।

**দায়ূদ ঃ** বৎ-চেবালৈ চাই থাকে, আৰু অন্য কোনোবাই লক্ষ্য কৰিছে নেকি বুলি চাৰিওফালে চায়, এতিয়া আপোন হাতেৰে হাত বাউল দি মাতা।

**বৎ-চেবাঃ** দায়ূদৰ কাষলৈ যায় আৰু তেওঁৰ লগত আঁতৰি যায়।

**ধনুধাৰী ঃ** ঊৰিয়াৰ কাষলৈ যায় আৰু তেওঁলৈ কাঁড় মৰা ভাও ধৰে। ধনুৰ ৰচি ডাল টান মাৰি ধৰা শব্দ "টুৱান" কৰে।

**ঊৰিয়া ঃ** নিজৰ বুকুত হাত দি ধৰে, বিষত চিঞৰে আৰু মাটিত পৰি মৰে,

**বৰ্ণনাকাৰী ঃ** ২ চমূৱেল ১২ঃ১-১৪ পদৰ পৰা কাহিনীৰ ২য় খণ্ড কওক।

এতিয়া কওক, "নাথন ভাববাদীয়ে ৰজা দায়ূদক কি কয় শুনক।"

**নাথন ঃ** "ৰজা দায়ূদ, অনুগ্ৰহক কৰি চাওকচোন। আপোনাক দেখুৱাবলৈ মোৰ এটা গল্প আছে।

**মৰমৰ মেৰ পোৱালি ঃ** ভেড়াৰ মাতৰ শব্দ কৰি হাত আৰু আঁঠুৰে বগুৱা বাই দৰিদ্ৰ মানুহ জনৰ গুৰিলৈ যায়।

**দৰিদ্ৰ মানুহ ঃ** "বৰ ধুনীয়া সৰু মেৰ!" তাইক মৰমেৰে গাত হাত বুলায়।

**ভেড়াঁ ঃ** ভেড়াঁৰ নিচিনাকৈ ধনৱান মানুহৰ ...... কাষলৈ যায়।

**ধনৱান মানুহ ঃ** ডাঙৰ মাতেৰে নিজৰ ভেড়াঁৰ হিচাপ কৰে। আৰু কয় মই খাবলৈ এট ভেড়াঁ বিচাৰোঁ। আৰু দৰিদ্ৰ মানুহজনৰ মৰমৰ মেৰ পোৱালিটোলৈ আঙুলিয়াই কয়, "সেইটো, যোৱা তাক আনাগৈ। কটাৰী এখনেৰে তাৰ ডিঙিটো কাটি পেলোৱা ভাও ধৰে। সেইবোৰ মজিয়াত পৰি যায়।

**নাথন ঃ** "মহাৰাজ, আপুনি ইয়াকে কৰিছে। যিটো আপোনাৰ নহয় তাৈল আপুনি চাইছে। আপুনি মৰাৰ যোগ্য।

**ৰজা দায়ূদ ঃ** "মই অনুতপ্ত। ঈশ্বৰে মোক ক্ষমা কৰক। এই পাপ মোৰ জীৱনত বৃদ্ধি পাইছে, কিন্তু ঈশ্বৰে ইয়াক ভাঙিবলৈ আপোনাক ব্যৱহাৰ কৰিছে।"

**নাথন ঃ** ঈশ্বৰে আপোনাক ক্ষমা কৰক, কিন্তু আপোনাৰ পাপে বেয়া ফল আনিব। বৎ-চেবাৰ সন্তানটি মৰিব।

**প্ৰশ্নবোৰ ঃ** ল'ৰা-ছোৱালীয়ে যদি নাটখন বয়সীয়াসকলৰ নিমিত্তে কৰিছে, তেন্তে ওপৰৰ তালিকাত দিয়া প্ৰশ্নবোৰ কৰিবলৈ দিয়ক।

ফুলৰ মাজত এজোপা কাঁইটীয়া গছৰ **ছবি আকঁক**।



ছবিখন, উপাসনাৰ সময়ত ল'ৰা-ছোৱালীয়ে বয়সীয়াসকলক **দেখুৱাওক**।

ল'ৰা-ছোৱালীক এই কথা **ব্যাখা** কৰিবলৈ দিয়ক যে বাগিছা এখন বন-জঙ্ঘল বৃদ্ধি পোৱা দৰে, পাপ বৃদ্ধি পাই অন্য পাপৰ সৃষ্টি কৰে যদিহে তাক গুচাই পেলোৱা নহয়। আমি আমাৰ পাপৰ কাৰণে অনুতপ্ত হ'লে ঈশ্বৰে আমাক সেই পাপৰ ক্ষমতাৰ পৰা মুক্ত কৰে আৰু আমাক ক্ষমা দিয়ে।

**আলোচনা ঃ** ল'ৰা-ছোৱালী আৰু বয়সীয়াসকলক আন উদাহৰণবিলাক উল্লেখ কৰিবলৈ দিয়ক যে ঈশ্বৰে মানুহৰ জীৱনত বেয়া অভ্যাসবোৰৰ স্থিতি ভঙ্গ কৰিলে।

**পদ্য ঃ** গীতমালা ৫১ঃ১৪-১৭ পদকেইটা চাৰি গৰাকী ল'ৰা-ছোৱালীক একোটাকৈ আওঁৰাবলৈ দিয়ক।

গীতমালা ৫১ ৰ ভাববোৰ ব্যৱহাৰ কৰি ডাঙৰ ল'ৰা-ছোৱালীক এটি পদ্য অথবা গীত লিখিবলৈ দিয়ক।

গীতমালা ৫১ঃ১২ পদটি **মুখস্থ কৰক**।

**প্ৰাৰ্থনা ঃ** হে প্ৰভু, আমাৰ জীৱনত থকা পাপবোৰ কেতিয়াবা কেতিয়াবা বৃদ্ধি পাই থাকে। আমি সেইবোৰৰ শক্তি ভঙ্গ কৰিব নোৱাৰা যেন লাগে। সেইবোৰৰ বাবে অনুতপ্ত হ'বলৈ আমাক সহায় কৰক আৰু সেইবোৰৰ পৰা আঁতৰি থাকিবলৈ জ্ঞানী লোকৰ সহায় পাবলৈ আমাক সহায় কৰক। শুদ্ধ জীৱন যাপন কৰাৰ শক্তি আমাক দিয়ক, যীচুৰ নামত খোজোঁ, আমেন।"

Copyright 2004 © by Paul-Timothy. May be freely copied.
Download from www.Paul-Timothy.net